# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 04-07-2025
**Time :** 18-45  Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::***

১।	তামুলপুৰ জিলাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ পৰ্যালোচনা।

২।	ভূমিস্খলনৰ বাবে বন্ধ হোৱা লামডিং-শিলচৰ ৰে’লপথছোৱা  পুনৰ ৰে’ল চলাচলৰ বাবে মুকলি।

৩।	গণিত বিষয়ৰ স্নাতক শিক্ষক পদৰ অৰ্হতা সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ স্পষ্ট নিৰ্দেশ।

৪।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি। ***আৰু***

৫।	এজবেষ্টন টেষ্টৰ তৃতীয় দিনা ইংলেণ্ডৰ যোগ্য প্ৰত্যুত্তৰ।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি, হিতাধিকাৰীৰ সংখ্যা আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাৱৰ পৰ্যালোচনা কৰে। যুৱ প্ৰজন্ম আৰু মহিলাসকলক আৰ্থিক সাহায্য প্ৰদানেৰে আত্মনিৰ্ভৰশীল কৰি তোলাটোৱে এই আঁচনিসমূহৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই স্বচ্ছ আৰু নিকা পদ্ধতিৰে আঁচনিসমূহৰ সঠিক ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এই পৰ্যালোচনা বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত মহিলা সৱলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ সফলতা সন্দৰ্ভত আলোকপাত কৰে। ড০ শৰ্মাই মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ কথা উল্লেখ কৰি তামুলপুৰ জিলাৰ হিতাধিকাৰীয়ে মুদ্ৰা ঋণৰ বাবে যোগ্যতা অৰ্জন কৰিছে বুলি প্ৰকাশ কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি তামুলপুৰত বিজেপিৰ নতুন জিলা কাৰ্যালয় উদ্বোধন কৰে। এই নতুন কাৰ্যালয়টো বিকাশ, একতা আৰু জনসাধাৰণ প্ৰতি অধিক দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিৰ প্ৰতীক বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে বি টি আৰৰ সমাগত নিৰ্বাচন উপলক্ষে আয়োজিত এখন বিশাল জনসভাতো অংশ লয়। ড০ শৰ্মাই বি টি আৰৰ শান্তি আৰু সম্প্ৰীতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবে বিজেপিয়ে শাসনৰ বাঘজৰীৰ পৰিৱৰ্তে সাৰথিৰ ভূমিকাৰে অৱতীৰ্ণ হ’ব বিচাৰে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী ড০ শৰ্মাই তামুলপুৰত ডং বান্ধ সমিতিৰ প্ৰতিনিধিবৰ্গৰ সৈতেও এখন বৈঠকত মিলিত হয়। ড০ শৰ্মাই তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০

ভূমিস্খলনৰ বাবে বন্ধ হোৱা লামডিং -শিলচৰ ৰে'লপথছোৱা পুনৰ ৰে'ল চলাচলৰ বাবে মুকলি কৰা হৈছে। ডিমা হাচাও জিলাৰ দিহাখো আৰু মুপা ষ্টেছনৰ মাজৰ ৰে'লপথছোৱা কালি বৃহৎ শিল আৰু মাটি খহি অহাৰ ফলত এই পথছোৱাৰে ৰেল চলাচল বন্ধ কৰি দিয়া হৈছিল। উত্তৰ-পূৰ সীমান্ত ৰে'লৰে সূত্ৰৰ উদ্ধৃতি দি আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে, ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত ৰে'লপথৰ পৰা শিল, বালি আঁতৰোৱাৰ পাছত আজি পুৱা ৯ বাজি ৪২ মিনিটৰ পৰা এই ৰে'লপথেৰে পুনৰ ৰে'ল চলাচলৰ অনুমতি দিয়া হয়। আগৰতলাৰ পৰা মুম্বাইৰ লোকমান্য তিলক টাৰ্মিনেছলৈ যাত্ৰা কৰা ১২৫২০ ৰে'লগাড়ীখনে ইয়াৰ পাছত সুকলমে ৰে'লপথছোৱা অতিক্ৰম কৰে। কালি লামডিং-শিলচৰ-বদৰপুৰ আৰু আগৰতলাত ৰখাই থোৱা ৰে'লগাড়ীসমূহৰ যাত্ৰীসকলক খাদ্য আৰু খোৱাপানী যোগান ধৰা হয় বুলি ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

গণিত বিষয়ৰ স্নাতক শিক্ষক পদৰ বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ণ বিজ্ঞান অথবা জীৱ বিজ্ঞানৰ ভিতৰত যিকোনো এটা বিষয়ৰ সাধাৰণ স্নাতক হ'লেই হ'ব বুলি বিদ্যালয় শিক্ষা বিভাগে স্পষ্ট কৰি দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সমগ্ৰ বিষয়টোক লৈ বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিবলৈ পত্ৰ প্ৰেৰণৰ পাছতে বিভাগে পাছকোৰ্চৰ বিভ্ৰান্তি আঁতৰাই এই নিৰ্দেশনা জাৰি কৰে। ৰাজ্যৰ ছটাকৈ মণ্ডলত চলি থকা বিভিন্ন বিষয়ৰ স্নাতক শিক্ষক পদৰ নথি পৰীক্ষণ প্ৰক্ৰিয়াত গণিত বিষয়ৰ স্নাতক শিক্ষক পদৰ প্ৰাৰ্থীসকলৰ অৰ্হতাক লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। এই ক্ষেত্ৰত মাধ্যমিক শিক্ষাৰ সেৱা বিধিত উল্লেখ থকা মতে গণিতৰ স্নাতক শিক্ষক পদৰ বাবে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকী গণিত বিষয়ত মেজৰ থকাৰ লগতে পাছকোৰ্চ হিচাপে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান বা জীৱ বিজ্ঞান বিষয় থাকিব লাগিব। এনেধৰণৰ অৰ্হতাৰ চৰ্তৰ বাবে গণিত বিষয়ত মেজৰ থকাৰ পাছতো একেলগে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান বা জীৱ বিজ্ঞান পাছকোৰ্চ হিচাপে নথকা প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ স্থগিত ৰখা হৈছিল। বঞ্চিত প্ৰাৰ্থীসকলৰ ওজৰ-আপত্তিৰ পাছত আজি বিদ্যালয় শিক্ষা বিভাগৰ স্পষ্টিকৰণে প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ এই নিৰ্দেশনাৰ ফলত এহেজাৰ ৭৩৭ টা গণিতৰ স্নাতক শিক্ষক পদৰ বাবে বাদ পৰি ৰোৱা বহু সংখ্যক প্ৰাৰ্থীৰ নথি পৰীক্ষণৰ বাট মুকলি হ'ব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ প্ৰাদুৰ্ভাব বৃদ্ধি পোৱা বাতৰি পোৱা গৈছে। যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট

চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থা চিকিৎসাধীন হৈ আছে। বজালী জিলাৰ বাঘমাৰা আৰু দলৌ পথাৰৰ দুজনকৈ লোক এই ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে সদৰি কৰা অনুসৰি জিলাখনত ৫ গৰাকীকৈ লোকৰ দেহত এই ৰোগৰ লক্ষণ দেখা পোৱা গৈছে। জিলাখনৰ ভিন্ন স্থানত জিলা প্ৰশাসনে ফ'গিঙৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

নলবাৰী জিলাৰ গোৰাক্ষাট্টাৰী গাঁৱত জাপানীছ এনকেফেলাইটিছত আক্ৰান্ত হৈ  এজন লোকৰ মৃত্যু হৈছে। জিলাখনৰ বৰক্ষেত্ৰী, মুগদি, নপ্তিপাৰা, বাকৰিকুছি, চতেমাৰিকে ধৰি   কেইবাখনো গাঁৱত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱা বুলি স্বাস্থ্য বিভাগে সদৰি কৰিছে।

০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অসম মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ উনবিংশ দ্বিবাৰ্ষিক অধিবেশনৰ পৰিপ্ৰেক্ষিতত প্ৰতিনিধিসকলৰ বাবে বিশেষ ছুটি মঞ্জুৰ কৰিছে। এই অনুসৰি প্ৰতিনিধিসকলে ৯ জুলাইৰ পৰা ১২ জুলাইলৈ এই বিশেষ ছুটি লাভ কৰিব। উল্লেখযোগ্য যে, অহা ১০ৰ পৰা ১২ জুলাইলৈ ধেমাজিৰ চিলাপথাৰত মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব।

০০০০

সুগন্ধী পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতি দিৱসত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। প্ৰেম আৰু ৰ'দালিৰ কবি হিচাপেও পৰিচিত হীৰুদাৰ সৰল প্ৰকাশেৰে তুলি ধৰা কাব্য সম্ভাৰে দেশপ্ৰেম, সমাজ সচেতনতা আৰু মানৱতাৰ বিচিত্ৰ অনুভৱেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি আহিছে। অসমীয়া সাহিত্য জগতৰ উজ্বল নক্ষত্ৰ হীৰুদাৰ ১৩ খন কবিতা পুথি অসমীয়া ভাষাত প্ৰকাশ হোৱাৰ লগতে দুখন বঙালী ভাষালৈ অনূদীত কৰা হৈছে। ১৯৯২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা হীৰুদাৰ প্ৰথম কবিতা পুথিৰ সংকলন আছিল **মোৰ দেশ মোৰ প্ৰেমৰ কবিতা**। সুগন্ধি পখিলা, শইচ পথাৰ মানুহ, ভালপোৱাৰ বোকামাটি, কবিতাৰ ৰ'দ আদি কাব্য সংকলনেৰে হীৰুদাই অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হীৰুদাৰ স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলি জনাই কয়, যে জীৱনটোক গভীৰভাৱে অনুভৱ কৰি সৃষ্টিৰ বিশাল সাগৰত কবিতাৰ লহৰ তোলা হীৰুদাৰ নাম সকলোৰে হৃদয়ত আজীৱন ৰৈ যাব।

০০০০

পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যচাৰ্য যতীন গোস্বামীক আজি দ্ৰোণ ভাগৱতী সোঁৱৰণী শিল্পী বঁটা প্ৰদান কৰা হয়। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এটা অনুষ্ঠানত অসমীয়া প্ৰতিদিন কাকতৰ স্বত্বাধিকাৰী তথা সম্পাদক জয়ন্ত বৰুৱাই শ্ৰী গোস্বামীক এই বঁটা প্ৰদান কৰে। দ্ৰোণ ভাগৱতী, পাৰুল ভাগৱতী স্মৃতি ন্যাসে আয়োজন কৰা এই বঁটা প্ৰদান অনুষ্ঠানলৈ নৃত্যচাৰ্যগৰাকীক গায়ন-বায়নেৰে আদৰি অনা হয়। বঁটা গ্ৰহণ কৰি শিল্পীগৰাকীয়ে অতীতৰ কিছু স্মৃতিক ৰোমন্থন কৰে। অনুষ্ঠানত সাদিন, সাতসৰীৰ সম্পাদক, বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ সূৰ্য হাজৰিকা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতি তথা ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ সদস্য অজিত বৰঠাকুৰকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত চলি থকা দ্বিতীয় টেষ্টমেচৰ আজি তৃতীয় দিনা ভাৰতৰ প্ৰথম ইনিংছৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে ভোজন বিৰতিৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত ২৪৯ ৰান সংগ্ৰহ কৰিছে। কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৭ ৰানৰ পৰা ইংলেণ্ডে প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি সোনকালে জো ৰুট আৰু অধিনায়ক বেন ষ্টকছৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত জেমি স্মিথ আৰু হেৰী ব্ৰুকে সুন্দৰ খেল প্ৰদৰ্শন কৰি দলটোক অধিক বিপদৰ পৰা ৰক্ষা কৰে। স্মিথে ভোজন বিৰতিৰ ঠিক পূৰ্বে শতৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ চিৰাজে ইংলেণ্ডৰ আজি পতন হোৱা দুয়োটা উইকেট দখল কৰে।

ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে আৰু ইংলেণ্ডে এতিয়ালৈকে ৫ উইকেটৰ বিনিময়ত ২৯০ ৰান সংগ্ৰহ কৰিছে। জেমি স্মিথ ১৩০ ৰান কৰি আৰু হেৰী ব্ৰুকে ১০৪ ৰান কৰি খেলি আছে।

০০০০

বৰপেটাৰ দক্ষিণহাটিৰ ৰায়চৌধুৰী পৰিয়ালৰ বোৱাৰী বীণাপানি ৰায়চৌধুৰীৰ আজি দুপৰীয়া গুৱাহাটীৰ ৰাজগড়স্থিত কন্যাৰ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৭ বছৰ। উল্লেখযোগ্য যে প্ৰয়াত বীণাপানি ৰায়চৌধুৰীৰ কন্যা ইলোৰা ৰায়চৌধুৰী নামেৰে ইলোৰা বিজ্ঞান মঞ্চ গঠিত হৈছে।

০০০০

নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁও নিবাসী, বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী তৰুণ চন্দ্ৰ বৰদলৈৰ আজি পুৱা নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৭ বছৰ। নগাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত বৰদলৈৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত